بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## আঁহজৰত (ছাঃ)ৰ সত্য দাস হজৰত মছীহ মাওউদ (আঃ)ৰ আল্লাহৰ সৈতে ভালপোৱাৰ ঈমান উদ্দীপক ঘটনাৱলীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ০২ জানুৱাৰী ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ ـ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ ـ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ ـ الرَّحۡمٰنِ الرَّحِيۡمِ ـ مٰلِكِ يَوۡمِ الدِّيۡنِ ـ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ ـ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ـ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ ـ

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, বিগত খোতবাত আঁহজৰত (ছাঃ)ৰ আদৰ্শ আৰু আল্লাহৰ সৈতে ভালপোৱাৰ সম্পৰ্ক বৰ্ণনা কৰা হৈছিল। এই যুগত আঁহজৰত (ছাঃ)ৰ সত্য দাস হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ আকাৰ প্ৰতি আনুগত্যৰ ফলত ভালপোৱাৰ উত্তম মানদণ্ড প্ৰতিষ্ঠা কৰিছে, যাৰ বাবে আল্লাহ তা'লাৰ কৃপা তেখেতৰ ওপৰত হৈছে। খোদা তা'লাৰ সৈতে যি প্ৰেম আছিল সেয়া লোকসকলে অনুভৱ কৰিব পাৰিছিল। এই সন্দৰ্ভত কিছু ঘটনাৱলী বৰ্ণনা কৰিম। এই ঘটনা বৰ্ণনা কৰাৰ আগতে প্ৰথমে হজৰত মছীহ মাওউদ (আঃ)য়ে তেখেত (ছাঃ)ৰ প্ৰতি ভালপোৱাৰ কিছু কথা তেখেত (আঃ)ৰ নিজস্ব শব্দাৱলীত বৰ্ণনা কৰিম।

এঠাইত তেখেত (আঃ)য়ে কৈছে, মই একোৰে বৰ্ণনা কৰিব নোৱাৰো যে মোৰ কোনটো কৰ্ম আছিল, যাৰ বাবে এই ঐশ্বৰিক অনুগ্ৰহ মোৰ ওপৰত হৈছে। মই এই অনুভৱ কৰি আছো যে স্বভাৱগতভাৱে মোৰ হৃদয়ত খোদা তা'লাৰ ফালে সহানুভূতিৰ সৈতে এক গভীৰ আকৰ্ষণ সৃষ্টি হৈছে, যাক কোনো বস্তুৱেই দিব পৰা নাই। এইটো সেইজনাৰেই অনুগ্ৰহ। আল্লাহ তা'লাই মোৰ ওপৰত যি অনুগ্ৰহ কৰিছে, এই সকলোবোৰ এই কাৰণেই লাভ কৰিব পাৰিছো যে আল্লাহ তা'লাৰ প্ৰিয় আৰু প্ৰিয় নবী কৰিম (ছাঃ)ৰ পৰিপূৰ্ণ আনুগত্য কৰিছোঁ আৰু তেখেত (ছাঃ)ক ভাল পাইছো। ইয়াৰ ফলত

আল্লাহ তা'লাৰ প্ৰতি ভালপোৱাৰ দুৱাৰো উন্মোচন হৈছে। এঠাইত তেখেত (আঃ)য়ে কৈছে, মোৰ ঘৰ হৈছে মছজিদ, পুণ্যবান মোৰ ভাতৃ, আল্লাহ তা'লাৰ স্মৰণ মোৰ সম্পদ আৰু সম্পত্তি, সেইজনাৰ সৃষ্টি মোৰ পৰিয়াল হয়। আন ঠাইত কৈছে, আমি কেৱল আল্লাহৰ স্বাৰ্থত সকলো বস্তুৰ সৈতে প্ৰেম কৰো। আকৌ কৈছে, খোদাৰ সৈতে আমাৰ সম্পৰ্কক কোনো বস্তুৱে ভাঙিব নোৱাৰে। খোদাৰ সন্মান আৰু গৌৰৱৰ শপত, পৃথিৱীত আৰু আখিৰাতত খোদাতকৈ আন কোনো বস্তু প্ৰিয় নহয়। সেইজনাৰ ধৰ্মৰ মহানতা প্ৰকাশ পাওঁক, সেইজনাৰ গৌৰৱ উজ্জ্বল হওঁক আৰু সেইজনাৰ বাণী উৰ্দ্ধ হওঁক।

হজৰত মুন্সী আব্দুল কৰিম চাহাব ছিয়ালকোটি (ৰাঃ)য়ে কৈছে যে এবাৰ তেখেত (আঃ)য়ে কৈছে, পৰীক্ষাৰ সময়ত আমাৰ জামাতৰ কিছুমান দুৰ্বল লোক সকলৰ হৃদয়ত ভীতি সৃষ্টি হয়। কৈছে, মোৰ অৱস্থা এনেকুৱা যে যদি কোনোবাই মোক সুস্পষ্টভাৱে মাত দি কয় যে তোমাক বহিষ্কাৰ কৰা হ'ব আৰু তোমাৰ উদ্দেশ্য মই পূৰণ নকৰিম, তেন্তে খোদাৰ শপত, তথাপি সেই খোদাৰ প্ৰেম আৰু ভালপোৱাত আৰু ধৰ্মৰ সেৱাত কোনো ধৰণৰ ক্ৰটি নহ'ব।

হজৰত নৱাব মুবাৰকা বেগম চাহিবা (ৰাঃ)য়ে কৈছে, খোদা তা'লাৰ প্ৰতি ভালপোৱা তেখেত (আঃ)ৰ আভ্যন্তৰীণ আত্মাৰ ক্ষুদ্ৰ ক্ষুদ্ৰ কণাত সজ্জিত আছিল। তেখেত (আঃ)ৰ প্ৰতিটো কথা আৰু কৰ্মৰ দ্বাৰা সেয়া সদায় সুস্পষ্টভাৱে ফুটি উঠিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে, ইয়াত এজন ব্যক্তি আছিল, যিজন জামাতত অন্তৰ্ভুক্ত হৈছিল, হজৰত মছীহ মাওউদ (আঃ)ৰ সৈতে তেওঁৰ গভীৰ সম্পৰ্ক আছিল। কিন্তু তেওঁ আহমদী হোৱাৰ আগতে ২০ বছৰলৈকে তেখেত (আঃ)য়ে তেওঁৰ প্ৰতি অসন্তুষ্টি প্ৰকাশ কৰিছিল। কাৰণ এইটো আছিল যে তেওঁৰ এজন ল'ৰাৰ মৃত্যুত তেওঁ কৈছিল যে খোদা তা'লাই মোৰ সৈতে অত্যাচাৰ কৰিছে। পিছত আল্লাহ তা'লাই তেওঁক দীক্ষা গ্ৰহণ কৰাৰ সৌভাগ্য প্ৰদান কৰি অজ্ঞতাৰ পৰা ওলাই আনিলে।

হজৰত মিৰ্জা বশ্বিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে হজৰত মছীহ মাওউদ (আঃ)ৰ মূৰৰ বিষ হৈছিল, এজন চিকিৎসক এই চিকিৎসাৰ বিশেষজ্ঞ আছিল, তেওঁক মাতি অনা হৈছিল, তেওঁ হুজুৰ (আঃ)ক দেখি কৈছিল, মই দুদিনতে আপোনাক আৰোগ্য প্ৰদান কৰিম। তেখেত (আঃ)য়ে তেওঁৰ দ্বাৰা চিকিৎসা নকৰিলে, কাৰণ তেওঁ খোদাৰ দাবী কৰে, প্ৰকৃত আৰোগ্য প্ৰদানকাৰী হৈছে খোদা।

হজৰত শ্বেখ ইয়াকুব আলি ইৰফানি চাহাব (ৰাঃ)ৰ পৰা বৰ্ণিত, হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে যেতিয়া মই ডেলহাউচি যোৱাৰ সুযোগ পাওঁ তেতিয়া পাহাৰৰ সতেজতা আৰু বৈ যোৱা পানীক দেখা পাই মোৰ প্ৰকৃতিত আল্লাহ তা'লাৰ প্ৰশংসা কৰাৰ প্ৰতি উৎসাহ সৃষ্টি হৈছিল আৰু উপাসনা কৰাত বৰ ভাল লাগিছিল।

মৌলানা বখশ চাহাবাৰ পৰা বৰ্ণিত যে যেতিয়া প্ৰয়াত মোবাৰক চাহাব অসুস্থ আছিল, তেতিয়া তেওঁৰ প্ৰতি তেখেত (আঃ)ৰ মাজত উদ্বেগ সৃষ্টি হৈছিল যেতিয়া চাহাবজাদা মৃত্যুবৰণ কৰে তেতিয়া অলপ কেইজন চাহাবাই দুখ প্ৰকাশ কৰিবলৈ আহিছিল। হুজুৰ (আঃ)মছজিদলৈ গ'ল, হুজুৰক আগতকৈ অধিক আনন্দত দেখা পোৱা গৈছিল। কৈছিল, মোবাৰক আহম মৃত্যুবৰণ কৰিছে, মোৰ খোদাৰ কথা পূৰণ হৈছে। খোদা তা'লাই আগতেই কৈছিল যে এই ল'ৰাজন সোনকালে মৃত্যুবৰণ কৰিব বা খোদাৰ প্ৰিয় হ'ব, সেয়েহে আল্লাহ তা'লাই তেওঁক মাতি লৈছে। এজন মোবাৰক আহমদেই

নহয়, যদি হাজাৰজন ল'ৰা থাকে আৰু হাজাৰজনেই মৃত্যুবৰণ কৰে, তথাপি মোৰ খোদা আনন্দিত হয় অৰ্থাৎ যেতিয়া সেইজনাৰ কথা পূৰণ হয়, তেন্তে মোৰ আনন্দও তাতেই নিহিত।

লুধিয়ানৰ মুন্সী আহমদ জান চাহাবে যেতিয়া হজ্ব কৰিবলৈ ৰাওনা হৈছিল তেতিয়া হজৰত মছীহ মাওউদ (আঃ)য়ে তেওঁক এখন চিঠি প্ৰেৰণ কৰিছিল। তেখেতে লিখিছিল যে বিনীতৰ এটা বিনম্ৰমূলক অনুৰোধ মনত ৰাখিব যে যেতিয়া আল্লাহ তা'লাই তোমাক বায়তুল্লাহৰ তীৰ্থ যাত্ৰা কৰাৰ সৌভাগ্য লাভ কৰে তেতিয়া সেই পৱিত্ৰ ঠাইত আল্লাহৰ বান্দাৰ এই বিনীতৰ ফালৰ পৰা এই শব্দাৱলীৰে অনুৰোধ কৰিবা, হে পৰম  কৰুণাময়, তোমাৰ এজন পাপী আৰু যোগ্যহীন গোলাম আহমদ যিজন তোমাৰ ভূমি ভাৰতত আছে, তেখেতৰ এই অনুৰোধ যে হে পৰম কৰুণাময় খোদা, তুমি মোৰ কামত সন্তুষ্ট হোৱা, আৰু মোৰ পাপবোৰ ক্ষমা কৰা, তুমি ক্ষমাশীল, পৰম দানশীল। মোৰ দ্বাৰা সেই কাম কৰোৱা যাৰ ফলত তুমি সন্তুষ্ট হোৱা। মোৰ আৰু মোৰ আত্মাৰ মাজত পূব আৰু পশ্চিমৰ দৰে দূৰত্ব সৃষ্টি কৰা। মোৰ জীৱন মৰণ আৰু মোৰ সকলো শক্তি যাক তুমি মোক প্ৰদান কৰিছা তোমাৰ পথত ব্যৱহাৰ কৰিবলৈ দিয়া আৰু তোমাৰ প্ৰতি ভালপোৱাৰ বাবেই মোক জীৱিত ৰখা আৰু তোমাৰ প্ৰতি ভালপোৱা অব্যাহত থকা অৱস্থাতেই মৃত্যু দিয়া, তোমাৰ পৰিপূৰ্ণ ভালপোৱাৰ সৈতে মোক পুনৰুত্থিত কৰা।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যদি মোৰ এই কথা বিশ্বাস হৈ যায় যে খোদা তা'লাৰ সৈতে ভালপোৱা আৰু আনুগত্যৰ ফলত মোক কঠোৰৰ পৰা কঠোৰ শাস্তি দিয়া হয়, তথাপি মই শপত লৈ কওঁ যে মোৰ প্ৰকৃতিয়ে এই স্বভাৱ সৃষ্টি কৰিব যে সেই কষ্ট আৰু দুৰ্যোগ এক আনন্দ আৰু ভালপোৱাৰ উৎসাহৰ সৈতে সহ্য কৰিবলৈ প্ৰস্তুত থাকিম।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে মই সেই নিদৰ্শন সমূহ গণনা কৰিব নোৱাৰো যিবোৰৰ বিষয়ে মই অৱগত। মই তোমাক চিনিব পাৰিছো যে তুমিয়ে মোৰ খোদা। তেখেত (আঃ)য়ে আল্লাহ তা'লাক সম্বোধন কৰি কয়, মোৰ আত্মা তোমাৰ নাম শুনি এনেদৰে উফন্দি উঠে যিদৰে সাহসী শিশুৱে মাতৃক দেখি উফন্দি উঠে। কিন্তু  অধিক লোকে মোক চিনিব নোৱাৰিলে আৰু গ্ৰহণও নকৰিলে।

এইটো আছিল আল্লাহৰ সৈতে ভালপোৱা আৰু খোদাৰ প্ৰতি প্ৰেম, যিটো হজৰত মছীহ মাওউদ (আঃ)ৰ মাজত আল্লাহৰ আনুগত্য স্বীকাৰ কৰাৰ ফলত সৃষ্টি হৈছিল। এই ভালপোৱাৰ প্ৰতি তেখেত (আঃ)য়ে নিজৰ জামাতকো মনোযোগ আকৰ্ষণ কৰিছে। তেখেত (আঃ)য়ে কৈছে যে সকলো ধৰণৰ কোৰবাণীৰ বাবে প্ৰস্তুত থাকিবা। আল্লাহ তা'লাৰ স্বাৰ্থত যেতিয়া কোৰবাণী কৰিবা, সেইজনাক ভাল পাবা আৰু সেইজনাৰ অধিকাৰ পালন কৰিবা, তেতিয়া আল্লাহ তা'লাও তোমালোকক এনেদৰে ভাল পাব যে সকলো ধৰণৰ শত্ৰুৰ পৰা তোমালোকক ৰক্ষা কৰা হ'ব। সেইজনাৰ সন্তুষ্টি অৰ্জনাৰ্থে যিবোৰ কাম কৰিবা, আল্লাহ তা'লা তোমালোকক ইহলোক আৰু পৰলোকত অসংখ্য কল্যাণ প্ৰদান কৰিব। আল্লাহ তা'লা আমাক সেইজনাৰ সৈতে প্ৰকৃত প্ৰেম কৰোঁতা বনাওক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, যোৱা কালিৰ পৰা নতুন বছৰৰ আৰম্ভণি হৈছে। লোকসকলে পৰস্পৰে পৰস্পৰক মোবাৰকবাদ দি আছে। দোৱা কৰিব যাতে এই বছৰ আমাৰ বাবে অসংখ্য কল্যাণময় বছৰ হয়। আল্লাহ তা'লা বিৰোধী আৰু শত্ৰুসকলৰ পৰিকল্পনা ধূলিসাৎ কৰক। জামাতক আগতকৈ অধিক উন্নতি প্ৰদান কৰক। আমি বহিঃৰাষ্ট্ৰত আছো, স্বাধীনৰ ৰাষ্ট্ৰত স্বাধীন আছো আৰু

নতুন বছৰৰ আনন্দ উপভোগ কৰি আছো। পাকিস্তানতো লোকসকলে নতুন বছৰ উদযাপন কৰি আছে, এনে সময়ত কাৰাগাৰত বন্দী থকা ভাই সকলৰ বাবে দোৱা কৰিব। পাকিস্তানৰ কাৰাগাৰত থকা ভাই সকলৰ বিষয়ে যিদৰে মই বিগত খোতবাতো কৈছিলো যে মোবাৰক ছানি চাহাবক আজীৱন কাৰাদণ্ডৰ শাস্তি শুনোৱা হৈছে। আন আন বন্দী সকলৰ বাবেও দোৱা কৰিব। এনে অৱস্থাতো তেওঁলোকে নতুন বছৰত আল্লাহ তা'লাৰ ধন্যবাদ জ্ঞাপন কৰি কাৰাগাৰত প্ৰৱেশ কৰি আছে, তেওঁলোকৰ কোনো ধৰণৰ অভিযোগ নাই। আল্লাহ তা'লাৰ স্বাৰ্থত তেওঁলোকে লোহাৰ শিকলি পিন্ধিছে। আল্লাহ তা'লা তেওঁলোকৰ বাবে মুক্তিৰ দুৱাৰ মুকলি কৰক। আমাক আৰু কাৰাগাৰত থকা অন্যান্য অসুবিধাৰ সন্মুখীন হোৱা সকলো আহমদীক আল্লাহ তা'লাৰ প্ৰতি ভালপোৱাৰ অনুভূতি আগতকৈ অধিক বৃদ্ধি কৰক। নিপীড়িত সকলৰ বাবে দোৱা কৰিব, আল্লাহ তা'লা পৃথিৱীৰ নিপীড়িত সকলক অত্যাচাৰীৰ কবলৰ পৰা মুক্তি দান কৰি পৃথিৱীত শান্তি প্ৰতিষ্ঠিত কৰক।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে তিনিজন প্ৰয়াত মাননীয়া ৰিহানা বাছমা চাহিবা ছৈয়দ নাছিৰ আহমদ চাহাবৰ পত্নী, হজৰত মছীহ মাওউদ (আঃ)ৰ প্ৰপৌত্ৰ আৰু হজৰত মিৰ্জা চুলতান আহমদ চাহাবৰ নাতি আৰু হজৰত মীৰ মহম্মদ ইছহাক চাহাব (ৰাঃ)ৰ নাতিনীয়েক আছিল। মাননীয়া ইফতা হালিম চাহিবা ডাক্তৰ আব্দুল হালিম চাহাবৰ পত্নী, প্ৰাক্তন লাজনা ইমাউল্লাহ (লাইবেৰিয়া)ৰ সভাপতি, লগতে মিচৰৰ আব্দুল আলিম বৰুৰী চাহাবৰ সদগতি বৰ্ণনা কৰে। হুজুৰ আনোৱাৰ (আইঃ)য়ে তিনিওজন প্ৰয়াতৰ মাগফিৰাত আৰু মৰ্যাদা উন্নতিৰ বাবে দোৱা কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِىَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْىِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 02 JANUARY 2026**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................

..........................................................................................................

..........................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB